## ৩.৪.৩ নাটখনিৰ চৰিত্ৰসৃষ্টি

চৰিত্ৰ নাটৰ এক গুৰুত্বপূৰ্ণ উপাদান। চৰিত্ৰসমূহ স্বকীয় বৈশিষ্ট্যৰে সমুজ্জ্বল নহ'লে নাট্যৰস ব্যাহত হয়। নাটকীয় কাহিনীৰ বিকাশ চৰিত্ৰ অবিহনে সম্ভৱ হ'ব নোৱাৰে। চৰিত্ৰৰ নিখুঁত চিত্ৰণে কাহিনী এটাক চিত্তাকৰ্ষক কৰি তুলিব পাৰে। কাহিনী আৰু চৰিত্ৰ অবিহনে নাট্যৰসৰো সৃষ্টি হ'ব নোৱাৰে। মহাপুৰুষ শংকৰদেৱে অংকীয়া নাটসমূহত অকল কাহিনীৰ মাজেৰে ৰস সৃষ্টিত মনোনিৱেশ কৰা নাছিল। আধুনিক নাট্যকাৰসকলে চৰিত্ৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ দৰে মহাপুৰুষজনায়ো তেওঁৰ নাটসমূহত চৰিত্ৰ সৃষ্টিত সৃজনী প্ৰতিভাৰ পৰিচয় দিছিল। মহাপুৰুষ মাধৱদেৱেও তেওঁৰ নাটসমূহৰ চৰিত্ৰ সৃষ্টিত প্ৰতিভাৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। অংকীয়া নাট সমূহত ৰস সৃষ্টিৰ যোগেদি ভগৱান শ্ৰীকৃষ্ণ ঐশ্বৰিক মহিমা প্ৰকাশৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। শংকৰদেৱৰ নাটত পূৰ্ণ অৱতাৰ শ্ৰীকৃষ্ণৰ মহিমা প্ৰকাশৰ বিপৰীতে মাধৱদেৱৰ নাটত শিশু কৃষ্ণৰ চল-চাতুৰী, ঠেহ-দুষ্টালি প্ৰদৰ্শন কৰা হৈছে। মাধৱদেৱৰ নাটকেইখনৰ মুখ্য চৰিত্ৰ হৈছে শিশু কৃষ্ণ। সেয়েহে আমি আলোচনা কৰিবলগীয়া অৰ্জুন-ভঞ্জন নাটখনিৰো মুখ্য চৰিত্ৰ হৈছে শিশু কৃষ্ণ। নাটখনৰ আন চৰিত্ৰসমূহ হৈছে যশোদা, ৰোহিনী, নন্দ, নলকুবেৰ, মণিগ্ৰীৱ, গোপিনীসকল আৰু গোপ বালকসকল। তলত আমি নাটখনৰ চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰিম।

➢ *শ্ৰীকৃষ্ণঃ* মাধৱদেৱৰ নাট-ঝুমুৰা কেইখনৰ নায়ক বা মুখ্য চৰিত্ৰ শ্ৰীকৃষ্ণ। শংকৰদেৱৰ নাটৰ মুখ্য চৰিত্ৰও শ্ৰীকৃষ্ণ। কিন্তু কৃষ্ণ চৰিত্ৰ তেওঁৰ নাটত এগৰাকী পূৰ্ণ অৱতাৰী পুৰুষ। আনহাতে মাধৱদেৱৰ নাট-ঝুমুৰাৰ শ্ৰীকৃষ্ণ শিশুসুলভ কাৰ্য-কলাপেৰে পূৰ্ণ

অথচ পৰম পুৰুষ ভগৱানৰ অপূৰ্ব সংমিশ্ৰণেৰে বিস্ময় বালকৰ ৰূপ মাথোন। আমাৰ আলোচ্য অৰ্জুন-ভঞ্জন নাটত মাধৱদেৱে কৃষ্ণ চৰিত্ৰত চিৰন্তন মানৱ শিশুৰ অভিমান, ক্ষোভ, চতুৰালি, উদ্ভণ্ডালি আদি ইমান সজীৱ ৰূপত অংকন কৰিছে যে আন বৈষ্ণৱ সাহিত্যৰ ক'তো তেনে ৰূপ প্ৰকাশ পোৱা নাই। অৰ্জুন-ভঞ্জনৰ শিশু কৃষ্ণৰ চৰিত্ৰৰ চিত্ৰণ বৈষ্ণৱ সাহিত্যৰ এক অপূৰ্ব সম্পদ বুলি মানিব পাৰি।

অৰ্জুন-ভঞ্জন নাটত নাট্যকাৰে কৃষ্ণৰ চৰিত্ৰৰ দুতৰপীয়া ৰূপ দাঙি ধৰিছে। নাটত শিশু কৃষ্ণই যমলাৰ্জুন ভংগ কৰি কুবেৰৰ দুই পুত্ৰক শাপমুক্ত কৰিছে। গতিকে তাত তেওঁৰ ঐশ্বৰিক মহিমা প্ৰকাশ পাইছে। কিন্তু সেইটি শিশুয়েই উমলি জামলি মাকৰ স্তনপান কৰিবলৈ ঠেহ পাতিছে। মাকে দধিমথন কৰি থকা সময়ত মথনি দণ্ডত ধৰি মাকক আমনি কৰিছে— "হে মাই তোহাৰি তন পান কৰিতে বহুত ইচ্ছা হুয়া আছে। হামাকু তন পান কৰাব। হামু তনপান কৰিয়ে খেলানে চলব।"

আখাৰ পৰা উতলি পৰিব পৰা গাখীৰ নমাবলৈ যশোদাই কৃষ্ণক আধা স্তন পান কৰা অৱস্থাতে মাটিত থেকেচা মাৰি থোৱাত খঙতে সাধাৰণ শিশুৰ দৰেই তেওঁ পটা গুটিৰে মথনি দণ্ড ভাঙিছে, দধিবোৰ সিচৰতি কৰিছে, যিমান পাৰে নিজে খাইছে আৰু বান্দৰকো খুৱাইছে। মাকে কৃষ্ণৰ তেনে কাৰ্যত তেওঁক খং কৰি খেদি যাওঁতে মানৱ শিশুৰ দৰে মাকৰ ভয়ত চকু ঢাকি কান্দি কান্দি দৌৰি পলাইছে। কিন্তু মাকৰ দুখ দেখি নিজে ধৰা দিছে। এনেদৰে মাধৱদেৱে কৃষ্ণ চৰিত্ৰত সাধাৰণ মানৱ শিশুৰ ৰূপ অংকন কৰিছে। কিন্তু নাট্যকাৰ মাধৱদেৱৰ মূল উদ্দেশ্য ভগৱান কৃষ্ণৰ মহিমা প্ৰচাৰ কৰা। সেইবাবে শিশু কৃষ্ণৰ চৰিত্ৰত সাধাৰণ মানৱ শিশুৰ ৰূপ প্ৰতিফলন কৰিলেও তেওঁ কৃষ্ণৰ ঐশ্বৰিক ৰূপটোক নাটত সুন্দৰভাৱে দেখুৱাইছে। নাটখনিৰ আৰম্ভণিৰ পৰা সামৰণিলৈকে কৃষ্ণৰ ঐশ্বৰিক ৰূপটো সজীৱ ৰূপত প্ৰকাশ পাইছে। যশোদাই গোপীসকলক তিৰস্কাৰ কৰি দধিমথন কৰি থকা সময়ত কৃষ্ণই নিজ মুখেৰেই নিজৰ মহিমা বৰ্ণনা কৰিছে— "হামু পৰম ঈশ্বৰ লক্ষ্মীৰ নায়ক। ইহাৰি গৃহে ভকতিক বশ্য হুয়া ৰহৈছি। হামু জীৱক পৰম দুৰ্লভ। হামাকু পাই মনৰ পুৰণ নাহি ভেল। হামাৰ ভকতা গোপীসৱক কোপ কৰিয়ে লৱণু অধিক কৰিয়ে গোপীসৱক দণ্ড কৰিতে অতয়ে শ্ৰম কৰিতে লাগল।"

মাকে থেকেচা মাৰি থোৱা সময়তো খং দেখুৱাই কৃষ্ণই মন্তব্য কৰিছে— "হামু কোটি কোটি ব্ৰহ্মাণ্ডক নায়ক। ব্ৰহ্মাদিদেৱক পৰম দেৱতা। হামাকু মহা মহা যজ্ঞে সন্তোষ কৰাইতে নাহি পাৰত। সে হামু নিজ গুণে ভকতক বশ্য হুয়া ভকতসৱে শ্ৰদ্ধায়ে যে বস্তু হামাক দান কৰত তাহেক হামু পৰম সন্তোষে হামাৰ উদৰবৰ্ত্তী ব্ৰহ্মাণ্ডসৱক শুদ্ধ বস্তুৰে পবিত্ৰ হোক বুলিয়ে ভোজন কৰোহো।"

আকৌ, সেইজন দুষ্ট কানাইক মাকে খেদি খেদি যেতিয়া জৰীৰে বান্ধিবলৈ লৈছে তেতিয়া "শ্ৰীকৃষ্ণক নিজ যোগমায়া বেকত কৰল।" ঘৰৰ সমস্ত জৰী আনি

তেওঁক বন্ধাৰ পাছতো দুই আঙুল জৰী কম হয়। কৃষ্ণৰ মহিমা দেখি গোপীসকল বিস্মিত হৈছে। মাক যশোদাক তেওঁলোকে কৃষ্ণৰ মহিমা সোঁৱৰাই দিছে এনেদৰে— "হে মাই, কৃষ্ণক মহিমা নাহি দেখত, অতয়ে জৰী জোৰায়া বন্ধন কৰিছ তব কি বান্ধিতে পাৰহ? অতয়ে মহিমা দেখিয়ে তথাপি জ্ঞান নাহি উপজল?"

ৰোহিনীয়েও কৃষ্ণৰ মহিমা দেখি যশোদাক কৃষ্ণক জৰী বন্ধনৰ পৰা মুকলি কৰি দিবলৈ অনুৰোধ কৰিছে। কাৰণ কৃষ্ণৰ মহিমা দেখি তেওঁ বুজি পাইছে যে— "ওহি মনুষ্য বালক নহি; প্ৰভাব দেখিয়ে হামু জানল, ওহি জগতক কাৰণ নাৰায়ণ। কোটি কোটি ব্ৰহ্মাণ্ড যাহাৰ ৰোমৰন্ধ্ৰে থিক, জগত তাৰণ কাৰণ তোহাৰি উদৰে মানুষ ৰূপে অৱতৰল; ওহি জগতক আতমা।"

মাক যশোদাই কিন্তু ৰোহিনী প্ৰমুখ্যে গোপীসকলে কৃষ্ণৰ অতখিনি গুণ বৰ্ণনা কৰাৰ পাছতো যেতিয়া কৃষ্ণক বান্ধিবলৈ অপাৰগ হৈছে, তেতিয়া মাকৰ শ্ৰম দূৰ কৰিবলৈ কৃষ্ণই আপুনি বান্ধ লৈছে। কাৰণ কৃষ্ণ জগতৰ অধীন। ভক্তা জননী যশোদাৰ মনৰ কামনা তেওঁ পূৰণ কৰিছে। কৃষ্ণই নিজেই তেওঁৰ অতৰ্ক প্ৰভাৱৰ কথা বৰ্ণাইছে— "হামু অতয়ে মহিমা দেখাৱল, তবহু হামাক নাহি জানল! হামাক বান্ধিতে আশা কয়কহু তবহু বহুত শ্ৰম পাৱল। হামু আপুনে বন্ধন যাব নাহি লেহু তব কি হামাক বান্ধিতে পাৰব? হামু ভকত বৎসল গুণে ভকতক অধীন। হামাৰি ভক্তা জননীক মন পূৰণ কৰহু।"

নাটখনিৰ মাজে মাজে থকা সূত্ৰধাৰৰ বচনতো নাট্যকাৰে ভগৱান কৃষ্ণৰ মহিমা বৰ্ণনা কৰি গৈছে। যশোদাই কৃষ্ণক জৰীৰে বন্ধাৰ পিছত সূত্ৰধাৰে বচন মাতিছে— "কৃষ্ণ ভকতিক মহিমা কি কহব? অনন্ত কোটি ব্ৰহ্মাণ্ডৰ ঈশ্বৰ হৈয়া ভকতক অধীন," এই বুলি সূত্ৰধাৰে ভক্ত আৰু ভগৱানৰ স্বৰূপ ঘোষণা কৰিছে।



**জানি থোৱা ভাল**

মাধৱদেৱৰ ঝুমুৰাসমূহত শ্ৰীকৃষ্ণৰ অলৌকিক মহিমাৰ স্থান নাই। তেওঁৰ প্ৰথম নাট অৰ্জুন-ভঞ্জনতহে কৃষ্ণৰ অলৌকিক মহিমাৰ কথা বৰ্ণনা আছে। শিশু কৃষ্ণৰ চৰিত্ৰৰ মাজেৰে এনে অলৌকিক মহিমাৰ প্ৰকাশ ঘটিছে।

যশোদাই কৃষ্ণক জৰীৰে উৰলত বান্ধি থোৱাৰ পাছত কৃষ্ণই নাৰদৰ শাপত শাপগ্ৰস্ত কুবেৰ পুত্ৰদ্বয়ক যমলাৰ্জুন ভংগৰ দ্বাৰা মুক্ত কৰিছে। শাপৰ পৰা মুক্ত হৈ নিজ দিব্যৰূপ ধাৰণ কৰি নলকুবেৰ আৰু মণিগ্ৰীৱই কৃষ্ণক স্তুতি কৰিছে। কৃষ্ণৰ পৰামৰ্শ মতে দুয়ো নিজ স্থানলৈ গমন কৰিছে। সেই সময়ত কৃতজ্ঞতাত দোঁ খাই পৰা কুবেৰ পুত্ৰদ্বয়ৰ বচনতো নাট্যকাৰে কৃষ্ণৰ ঐশ্বৰিক ৰূপৰ কথা বৰ্ণনা কৰিছে। দুয়ো কুবেৰ পুত্ৰই কৃষ্ণক "পৰম পুৰুষ, পুৰুষোত্তম, দেৱক পৰম দেৱতা জগত

আদি কাৰণ, প্ৰধান পুৰুষ নিয়ামক সৃষ্টি-স্থিতি-প্ৰলয়-প্ৰবৰ্ত্তক, ভগৱন্ত নাৰায়ণ, তুহু ভূমিক ভাৰ হৰণ কাৰণে কপট মানুষ ৰূপে হুয়াছ। তুহু মাত্ৰ সত্য" আদিৰে বৰ্ণনা কৰি কৃষ্ণক তেওঁক পৰমেশ্বৰ স্বৰূপে জ্ঞান কৰিছে। তেওঁলোকৰ মন প্ৰাণত কৃষ্ণ নামকে ধ্যান কৰি থাকিবলৈ ইচ্ছা কৰিছে।

এনেদৰে অৰ্জুন-ভঞ্জনত মাধৱদেৱে কৃষ্ণৰ চৰিত্ৰত এহাতে মানৱ শিশু আৰু আনহাতে পৰমেশ্বৰৰ ৰূপৰ চিত্ৰ অংকন কৰি দুমুখীয়া চিত্ৰ এখনি দাঙি ধৰিছে। শিশু কৃষ্ণৰ কৌতুকপূৰ্ণ কাৰ্যতে নাট্যকাৰৰ বিমল আনন্দ। মাধৱদেৱে যুক্তিৰে কৃষ্ণৰ ঐশ্বৰিকত্ব প্ৰতিপন্ন কৰিবলৈ নগৈ মাতৃ আৰু শিশুৰ মাজত হোৱা স্নেহ সিক্ত সম্পৰ্কৰে ভক্তিধৰ্ম প্ৰচাৰৰ আদৰ্শ দেখুৱাইছে। অৰ্জুন-ভঞ্জনৰ বাহিৰে তেওঁ আন ঝুমুৰাসমূহতো শিশু কৃষ্ণৰ আকোঁৰ গোঁজ মনোভাব, টেঙৰালি, দুষ্টালি, উদণ্ড স্বভাৱ আদি ৰূপেৰে কৃষ্ণ চৰিত্ৰটি সজাই নিজস্ব প্ৰতিভা প্ৰদৰ্শন কৰিছে। মাধৱদেৱৰ অৰ্জুন-ভঞ্জন নাটৰ কৃষ্ণ চৰিত্ৰ এটি মনোমোহা আৰু অনন্য চৰিত্ৰ হিচাপে চিত্ৰিত হৈছে।

➢ *যশোদাঃ* স্ত্ৰী চৰিত্ৰৰ প্ৰাধান্য মাধৱদেৱৰ নাট-ঝুমুৰা কেইখনৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য। শ্ৰীকৃষ্ণৰ শিশু চৰিত্ৰটিক নায়ক হিচাপে অংকন কৰাৰ বিপৰীতে নাৰী চৰিত্ৰবিলাকৰ ভিতৰত যশোদাৰ চৰিত্ৰই অন্যতম। শিশু কৃষ্ণৰ চৰিত্ৰৰ দৰে যশোদাৰ চৰিত্ৰ চিত্ৰণৰ মাজেৰেও মাধৱদেৱে এনে এগৰাকী চিৰন্তন মাতৃৰ ছবি অংকন কৰিছে। আন কোনো বৈষ্ণৱ সাহিত্যত এনে তুলনা পাবলৈ নাই।

অৰ্জুন-ভঞ্জন নাটৰ এটি উজ্জ্বল চৰিত্ৰ হ'ল কৃষ্ণৰ মাতৃ যশোদা। নাটখনিত যশোদাক গ্ৰাম্য জীৱনৰ পটভূমিত ৰূপ দিয়া হৈছে। মাধৱদেৱে যশোদাক নানা ৰূপত দেখুৱাইছে, যেনে- এগৰাকী চিৰন্তন মাতৃ ৰূপত, সু-গৃহিণী ৰূপত, সুযোগ্যা পত্নী ৰূপত, ৰাজৰাণী ৰূপত, পুত্ৰৰ কঠোৰ শাসন কৰোতা ৰূপত আৰু এগৰাকী মুখৰা স্বাভিমানী স্ত্ৰীৰ ৰূপত। ভাগৱত পুৰাণৰ এটি মনোৰম চৰিত্ৰ যশোদা এগৰাকী মৰ্যাদাসম্পন্ন নাৰীও। মাধৱদেৱৰ অৰ্জুন-ভঞ্জন নাটৰ যশোদা এগৰাকী অত্যন্ত মোহনীয়া মাতৃ। শংকৰদেৱৰ নাটৰ ৰুক্মিণী, সত্যভামা আদি নাৰীৰ দৰে যশোদাও কৃষ্ণ ভক্তা। কিন্তু এই ভক্তি মাতৃস্নেহৰ নিদৰ্শন। অৰ্জুন-ভঞ্জনত মাতৃ যশোদাই পুত্ৰ কৃষ্ণৰ সান্নিধ্যত এক পৰমাৰ্থিক আনন্দ লাভ কৰিছে। দধি মথি থাকোতে কাষতে উমলি থকা কৃষ্ণক দেখি তেওঁৰ হিয়া পুত্ৰস্নেহত উথলি উঠিছে "আহে বাপু তোহাৰি অৰুণ অধৰক বালাই লওঁ। মধুৰ হাস্যে ৰহয়া যাওঁ, ৰাতুল চৰণক হুয়া মৰিয়া যাওঁ।" আনহাতে কৃষ্ণভক্তা যশোদাৰ বাবে কৃষ্ণ হ'ল— "তুহো হামাৰি কোটি পুৰুষক পৰম দেৱতা, মাথাক মুকুট, শিৰৰ ভূষণ, গলাৰ সাতসৰী, কৰ্ণৰ কুণ্ডল, কৰৰ কংকণ।" কৃষ্ণৰ শিশুকালৰ চমৎকাৰিত্ব বৰ্ণনা কৰি তেওঁ কৈছে— "তোৰ অতি শিশুকালে পুতনা শুষিলা, চৰণক আগু শকট উচাটলি কয়ল চক্ৰবাতক প্ৰাণ লেলহ। বহ শিশুভাৱ কৰিয়ে হামাক বহুত আনন্দ কৰাৱয় থিক।"

পুত্ৰ কৃষ্ণৰ প্ৰতি অশেষ স্নেহ থকা স্বত্বেও এগৰাকী কঠোৰ পুত্ৰ শাসিকা ৰূপেৰে যশোদা এগৰাকী দায়িত্বশীলা নাৰী। কৃষ্ণৰ সামান্য দুখত মাতৃ হৃদয় গলি যোৱাৰ দৰে কৃষ্ণৰ দোষত যশোদা আছিল সমানে কঠোৰ। অৰ্জুন-ভঞ্জনত স্তনপানত সন্তুষ্ট নহৈ কৃষ্ণই মথনি দণ্ড ভাঙি, দধি-লৱণু খাই উৎপাত কৰিছে, বান্দৰকো খুৱাইছে, তেনেস্থলত যশোদাই পুত্ৰক কঠোৰ শাস্তি দিছে। গোপিনীসকলে, ৰোহিনীয়ে বাধা দিয়া স্বত্বেও তেওঁ কৃষ্ণক জৰীৰে বান্ধিছে। নিজৰ সন্তানক শাসন কৰাটো মাতৃৰ একচেতিয়া অধিকাৰ। সেয়ে গোপীসকলে বাধা দিওঁতে তেওঁৰ খং দুগুণে চৰিছে। গোপীসকলক সাৱধান কৰি তেওঁ কৈছে— "আহে গোৱালীসব ওহি কৃষ্ণক বন্ধন কতিহো ছোড়বি নাহি। যোহি বন্ধন ছোড়ে ইহাক গতি তাহেক কৰব। হামু নিষ্ঠ কয় বোলল। বৃদ্ধ নন্দে দেখোক আসিয়া।" ইয়াৰ দ্বাৰা যশোদা যে নন্দ ৰজাতকৈয়ো অধিক কঠোৰ শাসিকা আছিল তাৰ প্ৰমাণ পোৱা যায়।

নাটখনিত যশোদাৰ চৰিত্ৰত এগৰাকী ৰাজৰাণী আৰু অন্যহাতেদি এগৰাকী সুগৃহিণীৰ ৰূপ প্ৰকাশ পাইছে। নিজৰ ঘৰতে কাম কৰা দাসীসকলক দধি মথন কাৰ্যত সন্তুষ্ট নহৈ তেওঁ নিজে মথনি দণ্ড হাতত লৈছে বেছি লৱণু পোৱাৰ আশাত। ঘৰত কৰ্তব্য সুচাৰুৰূপে পালন কৰাত তেওঁ অধিক সচেতন। তেনে ক্ষেত্ৰত তেওঁ এগৰাকী সুগৃহিণী। যশোদাৰ কামৰ মাজেৰে নাট্যকাৰে দেখুৱাব খুজিছে জীৱন আৰু জীৱিকা নিৰ্বাহৰ বাবে ভক্তসকলে মন-প্ৰাণ সমৰ্পণ কৰি কাম কৰে। যশোদা আছিল স্বাভিমানী নাৰী। যদিও ৰাজৰাণী, নিজৰ পুত্ৰক শাসন কৰাত তেওঁ অটল, তাত আছিল তেওঁৰ স্বাভিমান। ৰোহিণীয়ে কৃষ্ণক বান্ধিবলৈ যেতিয়া যশোদাক বাধা দিছিল, তেতিয়া তেওঁৰ আক্ৰোশ দুগুণে বাঢ়িল। সেয়ে তেওঁ কৃষ্ণক জৰীৰে বান্ধিবলৈ অটল ভাবে বৈ উত্তৰ দিছিল— "গৰ্ভক ছুৱালক বান্ধয়ে নাহি পাৰল দেখিয়ে গোপীসব হাসিয়ে উপালম্ভ বোলব। কৃষ্ণক নাহি বান্ধয়ে হামু ছাড়ব নাহি।"

যশোদাৰ চৰিত্ৰত নাট্যকাৰে এগৰাকী সাধাৰণ গাৱলীয়া মুখৰা নাৰীৰ চৰিত্ৰ অংকন কৰিছে। সেইদৰে চৰিত্ৰটি বেছি মানৱীয় গুণসম্পন্না হৈ পৰিছে। ৰাজৰাণী হ'লেও ৰাণীৰ মৰ্যাদাতকৈ গৃহ কৰ্মৰ তাগিদা আৰু পুত্ৰৰ শাসন, ঘৰুৱা শৃংখলা তেওঁৰ বাবে বেছি। স্নেহৰ পুত্ৰক উৰলৰ সৈতে বন্ধা কাৰ্যত নন্দ ৰজাৰ লগত যি কাজিয়াৰ চিন দাঙি ধৰা হৈছে, তাত যশোদা অতি আকৰ্ষণীয় হৈ উঠিছে। ঘৰৰ গৃহিণী হিচাপে, পুত্ৰৰ শাসক হিচাপে সকলো অধিকাৰ তেওঁৰ। নন্দ ৰজাই বহু কথা শুনোৱাৰ প্ৰত্যুত্তৰ তেওঁ স্পষ্টভাৱে দিছে— "তুহু গৃহেৰ কোন অধিকাৰ। ইহাৰ ভাল মন্দ কি জানহ। হামু গৃহেৰ গৃহিণী। সব অধিকাৰ হামাৰ।" ঘৰৰ আন গোৱালীসৱকো তেওঁ কঠোৰ নিৰ্দেশ দিছে। যশোদাৰ চৰিত্ৰৰ এই সকলোবোৰ দোষ-গুণকে চেৰ পেলাই নাট্যকাৰে তেওঁৰ চৰিত্ৰত যি বাস্তৱ ৰূপ অংকন কৰিছে— সেয়া হৈছে তেওঁৰ চিৰন্তন মাতৃৰূপ। যশোদাৰ পুত্ৰস্নেহৰ মাজেৰে ভগৱানৰ ঐশ্বৰিক ৰূপটো নাট্যকাৰে মহিমামণ্ডিত কৰি তুলিছে।

তেওঁৰ অৰ্জুন-ভঞ্জন নাটকে আৰম্ভ কৰি আন গুমুৰাসমূহত যশোদাৰ স্নেহময়ী মাতৃৰ যি ছবি অংকন কৰিছে সেয়া সচাঁকৈয়ে নাটকাৰৰ সফল চৰিত্ৰ। যশোদাৰ পুত্ৰ স্নেহ এজন সৎ সাধকৰ ভক্তিৰ দৰেই গভীৰ আৰু নিৰ্মল। সেই স্নেহ বান্ধোনত সাত্তোৰ খাই ভগৱানেও পুত্ৰৰূপে, গৰ্ৱীয়া ৰূপে তেওঁৰ গৃহ উজ্জলাই তুলিছিল।

নন্দঃ অৰ্জুন-ভঞ্জন নাটৰ আন এটা চৰিত্ৰ হৈছে নন্দ ৰজা। নাটকীয় কাহিনীত চৰিত্ৰটোৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। নাটকীয় কাহিনীৰ সামৰণি অংকত নন্দ-যশোদাৰ দাম্পত্য কলহৰ সময়ছোৱাতহে নন্দই দেখা দিছে। কৃষ্ণৰ ঐশ্বৰিকত্ব প্ৰমাণ কৰাৰ বাবেই আৰু দৰ্শক-পাঠকক হাস্যৰস প্ৰদানৰ বাবেই নন্দ চৰিত্ৰটিৰ সৃষ্টি। নন্দ গোৱালসকলৰ ৰজা হ'লেও ৰাজোচিত গুণ তেওঁৰ গাত প্ৰকাশ পোৱা নাই। তাৰ পৰিবৰ্তে সাধাৰণ গাৱৰ লোকৰ দৰে গ্ৰাম্যদোষযুক্ত চৰিত্ৰৰে তেওঁ নাটত দেখা দিছে। অৰ্জুন গছজোপাৰ মাজত উৰলৰ সৈতে বান্ধ খাই থকা 'মাণিক পুতলী' কৃষ্ণক দেখা পাই তেওঁ কৃষ্ণক আথে-বেথে কোলাত তুলি লৈছে। বৃদ্ধ বয়সত কত তপস্যাৰ ফলতহে তেওঁ কৃষ্ণক পুত্ৰ ৰূপে পাইছে— "হামু কত তপ কৰি দেৱক বৰে বৃদ্ধ বয়সত কৃষ্ণক পুত্ৰ পাৱল।" তেনে স্নেহৰ পুত্ৰক যশোদাই তেনেদৰে বান্ধি থোৱা বুলি জানি তেওঁৰ খং মূৰৰ চুলি পালেগৈ। যশোদাক তেওঁ নানা ধৰণে গালি গালাজ পাৰিলে— "আহে দাসীক দাসী, বান্দী, চাণ্ডী, গোৱাৰী, ওহি প্ৰাণপুত্ৰ কৃষ্ণক কমন অপৰাধে গৰুক পাগে যৈচন খাটচোৰ শত্ৰুক বান্ধয় তোহো সোহি পৰকাৰে বন্ধন কয়লি?" তেওঁ আকৌ কৈছে— "তুহু কি নিমিত্তে মানুষী ভেলি? ৰাক্ষসতো থিক!" নন্দৰ এনে আচৰণৰ দ্বাৰা ৰাজোচিত গুণৰ পৰা সাধাৰণ চহা পুৰুষৰ আচৰণহে প্ৰকাশ পাইছে। আনহাতেদি গোৱালৰ ৰজা হিচাপে তেওঁৰ দাম্ভিকতা নাটত স্পষ্ট হৈ পৰিছে। যশোদাক তেওঁ শুনাইছে— "হামাৰ ঘৰে দধি-দুগ্ধ লবণু কে পুছত? নদী বহাইতে পাৰো। তাহেৰ নিমিতে কৃষ্ণক অতয়ে শাস্তি কয়লি?" এই বুলি যশোদাক মাৰিবলৈও তেওঁ খেদি গৈছে। ৰোহিনীয়ে বাধা দিয়াতহে ক্ষান্ত হৈছে।

নন্দৰ পুত্ৰ বৎসলতা চৰিত্ৰটিৰ মাজেৰে অতি সুন্দৰভাৱে প্ৰকাশ পাইছে। চেনেহৰ পুত্ৰৰ প্ৰতি শাস্তি বিধানতহে তেওঁ যশোদাৰ সৈতে কাজিয়াত লিপ্ত হৈছে। মূলত নন্দ-যশোদাৰ দাম্পত্য কলহৰ বৰ্ণনা নথকা স্বত্বেও মাধৱদেৱে কৃষ্ণ চৰিত্ৰৰ মহত্ব দেখুৱাবলৈ আৰু সাধাৰণ দৰ্শক-পাঠকক হাস্যৰসৰ স্বাদ দিবলৈ নাটৰ পৰিসমাপ্তিত নন্দ চৰিত্ৰটিৰ অৱতাৰণা কৰিছে।



**জানি থোৱা ভাল**

ভাগৱত পুৰাণৰ মতে দ্ৰোণ নামৰ এজন বসুৱে তেওঁৰ পত্নী ধাৰাৰে সৈতে ভগৱানক নিচেই আপোনৰূপে পাবলৈ বাঞ্ছা কৰি তপস্যাত

নন্দ আৰু যশোদা ৰূপে পৃথিৱীত জন্ম লাভ কৰে।

➤ ৰোহিনীঃ ৰোহিনী বলৰামৰ মাতৃ। নিজৰ পুত্ৰ বলৰামতকৈ কৃষ্ণক তেওঁ বেছি মৰম কৰে। তেওঁ নিজেই কৈছে— "ওহি কৃষ্ণক আপুন পুত্ৰ বলাইতো শত গুণ অধিক দেখো।" প্ৰাণৰ পুতলী কৃষ্ণৰ দুখ তেওঁ সহ্য কৰিব নোৱাৰে। যশোদাৰ দৰে তেখো কৃষ্ণ ভক্তা। যশোদাই কৃষ্ণক জৰীৰে বান্ধিবলৈ ওলোৱা কাৰ্যত তেওঁ যশোদাক বাধা দিছে— "হে সখী যশোদে, আহ তোহো কি ভেলি? গোকণ্ঠ পাশে কৃষ্ণক বান্ধিতে লেলি? তোহাৰি ঐচন কঠিন হৃদয় ভেলি?"

যশোদাই কৃষ্ণক সাধাৰণ মানৱ শিশুৰ দৰে আচৰণ কৰিছে যদিও কৃষ্ণৰ কাৰ্য-কলাপৰ দ্বাৰা তেওঁ যে সাধাৰণ মানৱ শিশু নহয়, সেই কথা ৰোহিনীয়ে ভালদৰে বুজি পাইছে। বাৰে বাৰে জৰীৰে বন্ধা সত্বেও যেতিয়া দুই আঙুল জৰী কম হোৱা বাবে যশোদাই কৃষ্ণক বান্ধিব পৰা নাই, তেতিয়া ৰোহিনীয়ে কৃষ্ণৰ স্বৰূপ বুজি যশোদাক মিনতি কৰিছে— "হে সখী তোহাৰি গোৰে লাগো, ওহি কৃষ্ণক প্ৰতি কোপ তেজহ। দেখো, অতয়ে জৰী জোৰায়া কি কৃষ্ণক বান্ধিতে পাৰহ।"

যদিও যশোদাৰ গৃহত কৃষ্ণ পুত্ৰ ৰূপে জন্মি সাধাৰণ মনুষ্য ৰূপে লালিত হৈছে তথাপি তেওঁ নাৰায়ণ। কৃষ্ণৰ মহিমাৰ কথা বুজাবলৈ যশোদাক তেওঁ কৈছে— "ওহি মনুষ্য বালক নহিঃ প্ৰভাৱ দেখিয়ে হামু জানল, ওহি জগতক কাৰণ নাৰায়ণ। কোটি কোটি ব্ৰহ্মাণ্ড যাহাৰ ৰোমবন্ধে থিক, জগত তাৰণ কাৰণ তোহাৰি উদৰে মনুষ্য ৰূপে অৱতৰল; ওহি জগতক আতমা।"

(ৰোহিনী চৰিত্ৰটি এটি শান্ত, মাৰ্জিত চৰিত্ৰ। নন্দই যশোদাক মাৰিবলৈ যেদি যাওঁতে তেৱেঁই বাধা প্ৰদান কৰিছে। যশোদাই কৃষ্ণক উৰলৰ পৰা বান্ধ খুলি নিদিবলৈ ৰোহিনী প্ৰমুখ্যে গোপিনী সৱক যি সতৰ্কবাণী শুনাইছে, তেতিয়াও নিচেই কম যদিও ভগৱান কৃষ্ণৰ স্বৰূপ প্ৰকাশত ৰোহিনী চৰিত্ৰটিয়ে যথেষ্ট ৰৰঙণি যোগাইছে।)

ইয়াৰ বাহিৰেও অৰ্জুন-ভঞ্জন নাটত গোপিনীসৱ, গোৱালসৱ, গোপবালক আৰু দেৱতা দ্বয়ৰ চৰিত্ৰ অংকিত হৈছে। মাধৱদেৱৰ দৃষ্টিত গোপীসকল কৃষ্ণৰ পৰম ভক্তা। কৃষ্ণক যশোদাই জৰীৰে বান্ধিবলৈ লওঁতে দুই আঙুল জৰীয়ে নোজোৰা কাৰ্যত তেওঁলোকৰ ভক্তপ্ৰাণ আকুল হৈ পৰিছে। যশোদাক তেওঁলোকে কৃষ্ণৰ মহিমা বৰ্ণাইছে এইদৰে— "হে মাই, কৃষ্ণক মহিমা নাহি দেখত, অতয়ে জৰী জোৰায়া বন্ধন কৰিছ তব কি বান্ধিতে পাৰহ? অতয়ে মহিমা দেখিয়ে তথাপি জ্ঞান নাহি উপজল?"

গোৱালসকলেও বাত বৃষ্টি নোহোৱাকৈ অৰ্জুন গছ জোপা বাগৰি পৰাত আশ্চৰ্য প্ৰকাশ কৰিছে। গোপ বালকসকলে দুই দিব্য পুৰুষে অৰ্জুন গছজোপাৰ পৰা বাজ হৈ কৃষ্ণক স্তুতি কৰাৰ কথা নন্দক জনালে— "ওহি বৃক্ষ হন্তে অগনি সমান ৰূপ ধৰিয়ে দুহ

দিব্য পুৰুষ বাজ হৈয়াকহু কৃষ্ণক দণ্ডবতে পৰনাম কৰিয়ো বহুত স্তুতি কয়ল।"

সেইদৰে নাটৰ দুই চৰিত্ৰ দেৱতাদ্বয়— নলকুবেৰ আৰু মণিগ্ৰীৱৰ বচনতো কৃষ্ণৰেই মহিমা বন্দিত হৈছে। কৃষ্ণৰ হাতত মুক্তিলাভ কৰি দেৱতাদ্বয়ে কৃষ্ণক — "পৰমপুৰুষ পুৰুষোত্তম, দেৱক পৰম দেৱতা" বুলি প্ৰণাম কৰিছে। শেষত 'কৃষ্ণ নাম' তেওঁলোকৰ দেহ, মন, প্ৰাণত সদা জাগ্ৰত থকাৰ কথাকে হৃদয়ত ধৰি কৃষ্ণক স্তুতি কৰি নিজ স্থানলৈ গমন কৰিছে।

নাটকীয় কাহিনীৰ গতিশীলতা ৰক্ষা কৰাত চৰিত্ৰ কেইটিৰ সংযোজন হৈছে যদিও কৃষ্ণ আৰু যশোদাৰ চৰিত্ৰৰ তুলনাত আন চৰিত্ৰসমূহ নিস্প্ৰভ। নাট্যকাৰে চৰিত্ৰসমূহৰ মাজেৰে ভগৱান কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰিছে মাথোন। মুঠতে চৰিত্ৰসমূহৰ মাজেৰে নাট্যকাৰে নাটৰ মূল উদ্দেশ্য বজাই ৰাখিবলৈ সমৰ্থ হৈছে।